BIKALI COLLEGE LIBRARY



# 2023

## ASSAMESE

## ( Regular Elective )

Paper : ASM–RE–5016/5026

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Answer the questions from *any* **one** Option

Paper : ASM–RE–5016

**( শংকৰদেৱ )**

১। তলত দিয়াবোৰৰ অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) সাহিত্যিক জীৱনৰ তিনিটা স্তৰৰ প্ৰথম স্তৰৰ কালছোৱা শংকৰদেৱে ক'ত কটাইছিল ?

(খ) বৰগীতক দেবেন্দ্ৰনাথ বেজবৰুৱাই কি আখ্যা দিছে ?

(গ) শংকৰদেৱে 'গুণমালা' গ্ৰন্থখন কি ছন্দত ৰচনা কৰিছে ?

(ঘ) "ভাষাৰ লালিত্য, ছন্দৰ ঝংকাৰ, ভক্তিৰ দৃঢ়তা, চিন্তাৰ উচ্চতাই 'কীৰ্ত্তন-ঘোষা'ক অলৌকিক সৌন্দৰ্য দান কৰিছে।" উক্ত কথাষাৰ কাৰ ?

BIKALI COLLEGE LIBRARY



(ঙ) ‘শিশুলীলা’ খণ্ডত উল্লেখ থকা মতে কোনগৰাকী ঋষিমুনিয়ে কৃষ্ণৰ জাত কৰ্ম সম্পাদন কৰিছে?

(চ) হৰিশ্চন্দ্ৰ ৰজাৰ পুত্ৰৰ নাম কি আছিল?

(ছ) ‘শাৰংগপাণি’ শব্দটোৰ অৰ্থ লিখা।

(জ) ‘গজেন্দ্ৰোপাখ্যান’ খণ্ডত কোনখন পৰ্বতৰ প্ৰাকৃতিক শোভাৰ বিৱৰণ দাঙি ধৰা হৈছে?

(ঝ) ‘পাৰিজাত হৰণ’ নাটত সত্যভামাৰ সখীয়েকৰ নাম কি আছিল?

(ঞ) ‘নাৰায়ণ কাহে ভকতি কৰো তেৰা’ শীৰ্ষক বৰগীতটোৰ ৰাগৰ নাম উল্লেখ কৰা।

২। তলত দিয়াবোৰৰ চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) শংকৰদেৱে ৰচনা কৰা ভটিমা কেইপ্ৰকাৰৰ আৰু কি কি?

(খ) ‘কীৰ্ত্তন’ গ্ৰন্থখনৰ খণ্ডসমূহ কাৰ আজ্ঞানুসৰি, কোনে একগোট কৰি সজাই উলিয়াইছিল?

(গ) বৰগীতৰ দুটা বিশেষত্ব উল্লেখ কৰা।

(ঘ) শংকৰদেৱে ৰচনা কৰা প্ৰথমখন কাব্য আৰু অন্তিমখন অংকীয়া নাটৰ নাম উল্লেখ কৰা।

(ঙ) ‘হৰিশ্চন্দ্ৰ উপাখ্যান’ৰ কাহিনীভাগ কোনগৰাকী ঋষিয়ে কাৰ আগত বৰ্ণনা কৰিছে?

BIKALI COLLEGE LIBRARY



৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) অংকীয়া নাটৰ বিশেষত্বসমূহ উল্লেখ কৰা।

(খ) 'গজেন্দ্ৰোপাখ্যান' খণ্ডৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

(গ) 'হৰিশ্চন্দ্ৰ উপাখ্যান' কাব্যত চিত্ৰিত বিশ্বামিত্ৰ ঋষিৰ চৰিত্ৰ বিশ্লেষণ কৰা।

(ঘ) বৰগীতৰ ভাষা সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(ঙ) 'শাৰংগপাণি' শীৰ্ষক বৰগীতটোৰ মূল ভাবাৰ্থ নিজৰ ভাষাত ব্যক্ত কৰা।

(চ) 'শিশুলীলা' খণ্ডত কৃষ্ণৰ ঐশ্বৰিকত্ব কিদৰে প্ৰকাশি উঠিছে, বৰ্ণনা কৰা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) শংকৰদেৱৰ সাহিত্যৰ বৈশিষ্ট্য সন্দৰ্ভত এটি প্ৰবন্ধ যুগুত কৰা।

(খ) অংকীয়া নাটৰ কলা-কৌশল সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা।

(গ) বৰগীতৰ বিষয়বস্তু সম্পৰ্কে বহলাই আলোচনা কৰা।

BIKALI COLLEGE LIBRARY



(ঘ) “ ‘হৰিশ্চন্দ্ৰ উপাখ্যান’ কাব্যৰ ৰস”—এই সম্পৰ্কে এটি প্ৰবন্ধ প্ৰস্তুত কৰা।

(ঙ) ‘নাৰায়ণ কাহে ভকতি কৰো’ শীৰ্ষক বৰগীতটোৰ মাজত প্ৰকাশ পোৱা আধ্যাত্মিকতাৰ ভাব আৰু ভগৱন্তৰ মহিমা সম্পৰ্কে আলোচনা আগবঢ়োৱা।

(চ) ‘কীৰ্ত্তন’ পুথিৰ জনপ্ৰিয়তাৰ কাৰণসমূহ বিশ্লেষণ কৰা।

(ছ) ‘হৰিশ্চন্দ্ৰ উপাখ্যান’ কাব্যৰ উৎস আৰু কবিৰ মৌলিকতা সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

(জ) ‘পাৰিজাত হৰণ’ নাটৰ সত্যভামা আৰু ৰুক্মিণী চৰিত্ৰ দুটিৰ এক তুলনামূলক আলোচনা আগবঢ়োৱা।

BIKALI COLLEGE LIBRARY



Paper : ASM–RE–5026

( অসমীয়া লোকসাহিত্য অধ্যয়ন )

১। তলত দিয়াবোৰৰ অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) লোকসাহিত্য বুজাবলৈ অসমীয়াত 'জনসাহিত্য' শব্দটো প্ৰথমে কোনে ব্যৱহাৰ কৰিছিল?

(খ) লোকসাহিত্য স্মৃতিনিৰ্ভৰ নে লিপিনিৰ্ভৰ?

(গ) "জাতিৰ আদিম অৱস্থাৰ পৰা সভ্যস্তৰলৈ আঁত নিচিগাকৈ চলি থকা জনশ্ৰুতিয়েই হ'ল লোকসাহিত্য।" উক্তিটো কাৰ?

(ঘ) 'প্ৰবচন' শব্দৰ আভিধানিক অৰ্থ কি?

(ঙ) কাৰ্বি জনগোষ্ঠীৰ লোকসাহিত্যত ফকৰা যোজনাক কি শব্দৰে বুজোৱা হয়?

(চ) 'Tale' শব্দৰ অসমীয়া প্ৰতিশব্দটো কি?

(ছ) 'অসমীয়া লোকসংস্কৃতিৰ আভাস' গ্ৰন্থখনৰ ৰচক কোন?

(জ) 'মালিতা'ৰ ইংৰাজী প্ৰতিশব্দটো কি?

(ঝ) এবিধ নাৰীকেন্দ্ৰিক লোকগীতৰ নাম লিখা।

(ঞ) কৰম পূজাৰ গীত অসমৰ কোনটো জনগোষ্ঠীৰ গীত?

BIKALI COLLEGE LIBRARY



২। তলত দিয়াবোৰৰ চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) গেয় আৰু কথ্য লোকসাহিত্য বুলিলে কি বুজা?

(খ) ড০ সত্যেন্দ্রনাথ শৰ্মাই লোকগীতক কি কি ভাগত ভগাইছে, লিখা।

(গ) ভকতীয়া ফকৰা বুলিলে কি বুজা?

(ঘ) মন্ত্ৰক বিষয়বস্তুৰ আধাৰত কি কি ভাগত ভগোৱা হয়?

(ঙ) মালিতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

৩। তলৰ যি কোনো চাৰিটাৰ চমু টোকা লিখা : ৫×৪=২০

(ক) লোকসাহিত্যৰ বৈশিষ্ট্য

(খ) বিয়ানাম বা বিয়াগীত

(গ) সাঁথৰ

(ঘ) বাৰমাহী গীত

(ঙ) মহোহো বা মহখেদা গীত

(চ) বায়খো উৎসৱৰ গীত

BIKALI COLLEGE LIBRARY



৪। তলত দিয়াবোৰৰ যি কোনো চাবিটাৰ ৰচনাধৰ্মী উত্তৰ দিয়া : ১০×৪=৪০

(ক) প্ৰাচীন লোকসাহিত্য আৰু সমকালীন লোকসাহিত্য সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(খ) জনগোষ্ঠীয় লোকসাহিত্য বুলিলে কি বুজা? জনগোষ্ঠীয় লোকসাহিত্য সম্পৰ্কে এটি নাতিদীৰ্ঘ নিবন্ধ যুগুত কৰা।

(গ) প্ৰবাদ বাক্য বুলিলে কি বুজা? অসমীয়া সমাজত প্ৰচলিত প্ৰবাদ বাক্যসমূহৰ পৰিচয় দাঙি ধৰা।

(ঘ) অসমৰ জনজাতীয় সমাজত মন্ত্ৰৰ পৰম্পৰা সম্পৰ্কে এটি বিশ্লেষণ আগবঢ়োৱা।

(ঙ) "মালিতাৰ মাজত কেতিয়াবা ইতিহাসৰ সন্ধানো পোৱা যায়"—কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰা।

(চ) অসমৰ জনজাতীয় সমাজত প্ৰচলিত মালিতাসমূহৰ বিষয়ে আলোচনা কৰা।

(ছ) অনুষ্ঠানমূলক লোকগীত বুলিলে কি বুজা? এই শ্ৰেণীৰ গীতৰ বিষয়ে বহলাই আলোচনা কৰা।

(জ) 'গোৱালপৰীয়া লোকগীত'—এই শিতানত এটি আলোচনা আগবঢ়োৱা।

★★★